# প্ৰকাশনা

২০২১-২২

অসমীয়া বিভাগ

ছয়গাঁও মহাবিদ্যালয়, ছয়গাঁও

ছয়গাঁও, কামৰূপ (অসম)

পিন ঃ ৭৮১১২৪

# প্ৰকাশনা
২০২১-২২

**সম্পাদনা সমিতি ঃ**

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | ড° ৰাজু বৰদলৈ, অধ্যক্ষ |
| সভাপতি | ঃ | ব্ৰজেন বৰ্মন |
| উপ-সভাপতি | ঃ | উপেন ডেকা |
| সম্পাদক | ঃ | অংকিতা দাস |
| সদস্য | ঃ | লিজা কলিতা |
| | | বুবুল দলৈ |
| | | পাখি ৰাজবংশী |
| | | চুমি বড়ো |
| | | পাৰবিন চুলতানা |

# সম্পাদকীয়

'প্ৰকাশনা' ছয়গাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুখপত্ৰ। ইয়াৰ জৰিয়তে মূলতঃ মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য-চৰ্চাৰ দিশলৈ বিকশিত কৰাৰ প্ৰচেষ্টা হাতত লোৱা হৈছে। ছয়গাঁও মহাবিদ্যালয় নতুন প্ৰাণৰ সঞ্চাৰ কৰিবলৈ সক্ষম হোৱা সন্মানীয় অধ্যক্ষ মহোদয়ৰ অনুপ্ৰেৰণা অবিহনে এই প্ৰচেষ্টা সফল নহ'লহেতেঁন। এই প্ৰচেষ্টাৰ গতিপথতে অসমীয়া বিভাগে লাভ কৰিছে অশেষ আশাৰ প্ৰদীপ। অধিক মানদণ্ডসম্পন্ন লিখনিৰ বাবে আমি প্ৰত্যাশাবাদী।

'প্ৰকাশনা' বাৰ্ষিক মুখপত্ৰৰ সম্পাদকৰ দায়িত্ব আনুষ্ঠানিকতাহে মাথো। মুখপত্ৰখনৰ উপদেষ্টা ছয়গাঁও মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ মহোদয় আৰু অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক ড° নগেন কলিতা ছাৰ, বিভাগীয় প্ৰধান ব্ৰজেন বৰ্মন ছাৰ, অধ্যাপক ভূষণ কলিতা ছাৰ, অধ্যাপক উপেন ডেকা ছাৰ, অধ্যাপিকা ড° দীপামণি বৰ্মণ বাইদেউ, অধ্যাপিকা নন্দিতা দেৱী বাইদেউ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ বিশেষ সহায়-সহযোগিতাতহে 'প্ৰকাশনা' বাৰ্ষিক মুখপত্ৰ প্ৰকাশ কৰা সম্ভৱ হৈ উঠিছে।

এই ছেগতে যিসকলৰ লেখাই মুখপত্ৰখন সমৃদ্ধ কৰিলে তেওঁলোকলৈ ওলগ যাচিলোঁ। সময়ৰ নাটনিৰ বাবে অত্যন্ত ইচ্ছা থকা সত্বেও বহুজনৰ লেখা প্ৰকাশৰ পৰা বাদ পৰি গ'ল, তাৰ বাবে ক্ষমা বিচাৰিছোঁ। সদৌ শেষত আমাৰ জ্ঞানৰ সীমাবদ্ধতা আৰু অজানিতে ৰৈ যোৱা ভুল-ক্ৰটিৰ বাবে সুধী সমাজৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ।

ধন্যবাদেৰে—

**অংকিতা দাস**
সম্পাদক
স্নাতকোত্তৰ প্ৰথম যান্মাসিক
অসমীয়া বিভাগ

# "লুইতকন্যা" নাটকৰ আংগিকত ওজাপালিৰ প্ৰয়োগ

অংকুমণি শালৈ
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

বিংশ শতিকাৰ আশী দশকৰ পৰা আধুনিক অসমীয়া নাটকৰ ওপৰত পৰম্পৰাগত লোকনাট্যৰ প্ৰয়োগ কৰা পৰিলক্ষিত হয়। এইক্ষেত্ৰত আগভাগ লোৱা দুগৰাকী অসমীয়া নাট্যকাৰ হ'ল কৰুণা ডেকা আৰু অনুকুল শৰ্মা। এওঁলোক দুয়োগৰাকীয়ে যুটীয়াভাৱে ৰচনা কৰা 'লুইত কন্যা' নাটকখন লোককলাৰ আংগিকত ৰচনা কৰা এখন সফল নাটক। পৌৰাণিক কিংবদন্তিমূলক নাটকখন বেউলা লখিন্দাৰৰ কাহিনীৰ পৰা বিষয়বস্তু গ্ৰহণ কৰা হৈছে।

পৌৰাণিক কিংবদন্তিমূলক 'লুইত কন্যা' নাটকখনত ওজাপালিয়ে অংকীয়া নাটৰ সূত্ৰধাৰৰ নিচিনাকৈ বিশেষ ভূমিকা পালন কৰিছে। নাটকখনত ওজাপালিয়ে আৰম্ভণিৰ পৰা শেষলৈ উপস্থিত থাকি বিষয়বস্তু উপস্থাপন, চৰিত্ৰ সৃষ্টি, পৰিৱেশ-পৰিস্থিতি, সংলাপ আৰু ঘটনাৰ সংযোজন আদি বিভিন্ন ক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াইছে।

'লুইত কন্যা' নাটকখন পৌৰাণিক আৰু ধৰ্মীয় ভাৱাপন্ন নাটক। ইয়াত ধৰ্মীয়ভাৱে অক্ষুন্ন ৰাখিবৰ বাবে নাট্যকাৰে এটি গণেশ বন্দনাৰে আৰম্ভণি কৰিছে। এই বন্দনাটো ওজাপালিৰ দ্বাৰা গোৱা হৈছে। যিয়ে নাট খনৰ বিষয়বস্তু উপস্থাপনৰ লগতে বিষয়বস্তুৰ গাম্ভীৰ্য ৰক্ষা কৰাৰ ক্ষেত্ৰত অৰিহণা যোগাইছে। যথা—

ওজাপালি ঃ বন্দো দেৱ শিৱসুত অখণ্ড শশধৰ সুত
মহিমা দৰশিতে দৰশনে।
অব্যয় অখণ্ড দেহ বেদান্তে কহে কৰে
সাকাৰ গজাননে।।[১]

ওজাপালিৰ উপস্থিতিয়ে নাটকখন অধিক আকৰ্ষণীয় কৰি তুলিছে। ওজাপালিয়ে একো একোটা চৰিত্ৰৰ ৰূপ লৈ নাটকীয় কাহিনীৰ লগত সংযোজিত হৈ পৰিছে। শিৱ, পদ্মা, নেতা আদি চৰিত্ৰ হিচাপেও ওজাপালিয়ে সংলাপ দিছে। যেনে ঃ

ওজাপালি ঃ পদ্মাই বোলে শুনা পিতা আমাৰ উত্তৰ।
কি কৰ্ম কৰিম যাই পিতা কহ সত্বৰ।।[২]

এইদৰে ওজাপালিয়ে নিজেও এটা চৰিত্ৰ হিচাপে নাট্যকাৰৰ হাতত ধৰা দিয়ে লগতে

আন আন চৰিত্ৰ সৃষ্টিটো ওজাপালিয়ে সহায় কৰে। উদাহৰণস্বৰূপে—

ওজাপালি ঃ এহিমতে নেতা পদ্মা কৰিল যুগুতি।
ধন্বন্তৰী বধিবাৰে নেতা চলে খৰ গতি।।[৩]

ওজাপালি ঃ জৰুৎকাৰু নামে মুনি মহা তপোধন।
ৰূপে গুণে, কূলে-শীলে জিনে ত্ৰিভুবন।।[৪]

চৰিত্ৰ সৃষ্টিৰ লগতে সংলাপ প্ৰয়োগেও নাটকখনক একধৰণৰ স্বকীয়তাৰ দাবী কৰি আহিছে। চৰিত্ৰৰ মুখেৰে বুজাই দিব নোৱাৰা কথা নাইবা ভাৰক ওজাপালিৰ মুখৰ সংলাপেৰে প্ৰকাশ কৰিছে। ওজাপালিৰ সংলাপ প্ৰয়োগে নাটকখনৰ কথাবস্তুক বুজি পোৱাত সহজ কৰি তুলিছে। নাটখনত নাট্যকাৰে ওজাপালিৰ দ্বাৰা প্ৰত্যক্ষ আৰু পৰোক্ষ দুয়োবিধ উক্তিৰে সংলাপ প্ৰয়োগ কৰিছে।

প্ৰত্যক্ষভাৱে—

ওজাপালি ঃ এহিমতে পূজা পদ্মা শত নৰ-নাৰী।
একে একে পূজা সৰে চম্পকনগৰী।।[৫]

পৰোক্ষভাৱে—

ওজাপালি ঃ পদ্মাই বোলে শুনা-পিতা আমাৰ উত্তৰ।
কি কৰ্ম কৰিম যাই পিতাকহ সত্বৰ।।[৬]

চৰিত্ৰ আৰু সংলাপৰ নিচিনাকৈ ওজাপালিয়ে একো একোটা পৰিৱেশ সৃষ্টি কৰি লয়। সেই পৰিৱেশেহে নাটখন আগবঢ়াই লৈ যোৱাত সহায় কৰে। ওজাপালিয়ে অতি স্পষ্টভাৱে পৰিৱেশ সৃষ্টি কৰে। যাৰ বাবে দৰ্শক-পাঠকৰ নাটকীয় কথাবস্তুৰ আঁত হেৰাই যোৱাৰ ভয় নাথাকে। প্ৰতিটো বৰ্ণনাৰ আগতে নাট্যকাৰে ওজাপালিৰ দ্বাৰাই একোটা পৰিৱেশ সৃষ্টি কৰি লয়। যেনে ঃ

ওজাপালি ঃ উজনি নগৰে ঘৰ মাহে বণিক সদাগৰ
তাহাৰ ঘৰে বেউলা সুন্দৰী।
হৰাইলে বস্তু পাই মৰিলে মৰা জীয়াই
ৰূপে গুণে বিদ্যাধাৰী।।[৭]

নাটখনত থকা ভাষা, গীত-মাত এইবোৰো পৰিৱেশৰ একো একোটা অংগ হিচাপে পৰিৱেশ সৃষ্টিত বিশেষ মাত্ৰা প্ৰদান কৰিছে। 'লুইত কন্যা' নাটখন লোকনাট্যৰ আধাৰত ৰচিত নাটক। সেয়েহে নাটকখনত পৰম্পৰাগত লোকভাষাৰ প্ৰয়োগ দেখা যায়। গীত-মাতসমূহৰ ক্ষেত্ৰতো সুৰ, লয় আৰু নিৰ্দিষ্ট ৰাগত বন্ধা। যিবোৰে দৰ্শক-পাঠকক অধিক আকৰ্ষিত কৰি তোলে—

ওজাপালি (ধনশ্ৰী ৰাগ)
পদ্মা বোলে শুন নেতা বুদ্ধি দেহ মোৰে।

ৰূপে খাইবো পূজা চম্পকনগৰে।।[৮]

'লুইত কন্যা' নাটকখন সকলোফালৰ পৰা এখন সফল নাটক। এইক্ষেত্ৰত ওজাপালিৰ চৰিত্ৰটোৱে বিশেষধৰণে বৰঙণি আগবঢ়াইছে। দুটা বেলেগ বেলেগ ঘটনা বৰ্ণনা কৰিবলৈ হ'লে দুয়োটা ঘটনাৰ সংযোজক হিচাপে মধ্যস্থানত এটা চৰিত্ৰৰ প্ৰয়োজন। এই নাটখনত ওজাপালিয়ে সেই চৰিত্ৰৰ ভূমিকা পালন কৰিছে। ওজাপালিয়ে চলি থকা ঘটনাটোৰ পৰা পিছৰ ঘটনাটো বৰ্ণনা কৰিবলৈ আঁত ধৰি দিয়ে। যাৰ বাবে নাটকখনৰ কাহিনীটো বুজি পোৱাত সহায় হয়। উদাহৰণস্বৰূপে—

ওজাপালি ঃ এক কৰ্ম চন্দ্ৰ কলা গৰ্ভ নৱ মাস ভৈলা।
মাহেন্দ্ৰ ক্ষণে চন্দ্ৰকলাৰ পুত্ৰ উপজিলা।।
অতি বৰ সুলক্ষণ দেখিতে অনুপম।
ব্ৰাহ্মণে থৈলা তাৰ চন্দ্ৰধৰ নাম।।[৯]
.......................................................
.......................................................

এইদৰে আলোচনাৰ অন্তত ক'ব পাৰি যে ওজাপালিৰ ব্যৱহাৰ নাটখনত এটা প্ৰধান অংগ হিচাপে জিলিকি উঠিছে। নাটকখনত আৰম্ভণিৰ পৰা শেষলৈকে উপস্থিত থকা ওজাপালিৰ চৰিত্ৰটোৱে দৰ্শক আৰু নাটকৰ বিষয়বস্তুৰ মাজত যোগসূত্ৰ স্থাপন কৰিব পাৰিছে।

**পাদটিকা ঃ**

১। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৫৪)
২। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৫৮)
৩। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৬৮)
৪। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৫৮)
৫। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৬৫)
৬। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৫৮)
৭। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৭৪)
৮। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৬৩)
৯। কৰুণা ডেকা আৰু অনুকূল শৰ্মা ঃ লুইত কন্যা (পৃষ্ঠা ৬০)

**গ্ৰন্থপঞ্জী ঃ**

১। ডেকা, কৰুণা আৰু শৰ্মা, অনুকূল ঃ লুইত কন্যা (প্ৰকাশক- অসম বুক হাইভ, প্ৰথম প্ৰকাশ, মাৰ্চ ২০১৭)
২। দাস, সত্যজিৎ ঃ গৱেষণা গ্ৰন্থ (সাম্প্ৰতিক অসমীয়া নাটকত সত্ৰীয়া সংস্কৃতিৰ উপাদান)
৩। পাটগিৰী, জগদীশ ঃ সমকালীন অসমীয়া নাটক (প্ৰকাশক- অসম বুক হাইভ)
৪। ভৰালী, শৈলেন ঃ অসমীয়া লোকনাট্যৰ পৰম্পৰা (প্ৰকাশক- বাণী প্ৰকাশ)
৫। ৰাজবংশী, পৰমানন্দ (সম্পা.) ঃ অসমীয়া নাটক ঃ পৰম্পৰা আৰু পৰিৱৰ্তন (প্ৰকাশক- চন্দ্ৰ প্ৰকাশ)
৬। শৰ্মা, ধীৰেণ ঃ অসমৰ নাট্য সুবাস (প্ৰকাশক- গোলক ৰায় মেধি স্মৃতি প্ৰকাশন, প্ৰথম প্ৰকাশ, ২০০০)
৭। শৰ্মা, সত্যেন্দ্ৰনাথ ঃ অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত (প্ৰকাশক- সৌমাৰ প্ৰকাশ)

# নামঘৰ— এক পৰিচয়

**চুমি কলিতা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

নামঘৰ— নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ অৰ্থে স্থাপন কৰা নামঘৰ অসমীয়া জাতীয় জীৱনত ঐক্য-সংহতি, শান্তি-সম্প্ৰীতিৰ সমান্তৰালভাৱে সংস্কৃতিৰ আঁকৰ আৰু স্থাপত্য-ভাস্কৰ্য বিদ্যাৰ অনুপম নিদৰ্শন হিচাপে পৰিগণিত হৈ আহিছে। অসমীয়া সমাজ জীৱনৰ এক অপৰিহাৰ্য অংগ হ'ল নামঘৰ। নামঘৰ মূলতঃ প্ৰাৰ্থনা গৃহ। শ্ৰৱণ-কীৰ্ত্তনৰ বাবে সমূহীয়া উপাসনাস্থলী। নামঘৰৰ আন এক বিশেষত্ব হ'ল ভাওনা, গীত-নৃত্য আদিৰ প্ৰদৰ্শন। মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ উপৰি পৰৱৰ্তী বৈষ্ণৱ গুৰুসকলৰ দ্বাৰা সৃষ্ট ভক্তিমূলক নাটসমূহ নামঘৰতে প্ৰদৰ্শন কৰা হয়। ইয়াৰোপৰি ভাওনাত ব্যৱহৃত মুদ্ৰা আৰু বৃন্দাৱনী বস্ত্ৰেৰে তৈয়াৰ কৰা সপ্ত বৈকুণ্ঠৰ পট অংকন কাৰ্য নামঘৰতে আৰম্ভ কৰে। গুৰুজনাৰ সৃষ্ট নামঘৰক কেন্দ্ৰ কৰিয়েই একশৰণ হৰিনাম ধৰ্মই অসমীয়া সমাজত প্ৰসাৰতা লাভ কৰি ভাবানুভূতিৰ স্বাক্ষৰ বহন কৰি আহিছে। মহাপুৰুষ শংকৰদেৱৰ জন্মস্থান বটদ্ৰৱাত (বৰদোৱা) পোনপ্ৰথমে স্থাপন কৰা নামঘৰৰ নিৰ্মাণশৈলীৰ আৰ্হিত অসমৰ সৰ্বত্ৰে নামঘৰৰ নিৰ্মাণশৈলী গঢ় লৈ উঠিছে। নামঘৰসমূহ মূলতঃ চাৰিটা অংশৰে গঠিত— নামঘৰ বা কীৰ্ত্তনঘৰ, মণিকূট, ছোঁ-ঘৰ আৰু বাটচ'ৰা।

সাধাৰণতে পুৱা-পশ্চিমাকৈ নিৰ্মাণ কৰা নামঘৰ টুপভঙ্গা দুচলীয়া মণিকূট, নামঘৰৰ মূল গৃহ, বাটচ'ৰা আৰু ছোঁ-ঘৰৰে গঠিত। নামঘৰৰ পূৱ প্ৰান্তত প্ৰধান গৃহ মণিকূট স্থাপন কৰা হয়। মণিকূটৰ ভিতৰ ভাগত মূল সিংহাসন স্থাপন কৰা হয়। খোল, তাল, নাম-প্ৰসংগ আদি মাংগলিক বাদ্যৰে ভগনীয়া সদাচাৰী ভকতৰ এভাগ গুণমালা লৈ গুৰু ভটিমাৰে, দেৱ ভটিমা, টোটয়, চপয়, লীলামালা গুণানুকীৰ্ত্তনেৰে সিংহাসন প্ৰতিষ্ঠা কৰা হয়। মণিকূটত পূৰ্ণকৃষ্ণ ভগৱন্তৰ বাঙ্ময় মূৰ্তি, ভাগৱত শাস্ত্ৰ বা গুৰুজনাৰ দ্বাৰা ৰচিত ভাগৱতৰ সংক্ষিপ্তসাৰ গুণমালা পুথি যথা ৰীতিনুসৰি সাত বৈকুণ্ঠ সদৃশ সাতখলপীয়া সিংহাসনত স্থাপন কৰা হয়। সিংহাসন গুৰু, দেৱ, নাম আৰু ভকত— এই চাৰি খুঁটিৰ ওপৰত প্ৰতিষ্ঠিত। সিংহাসনৰ নিম্নাংশৰ পৰা ক্ৰমে কাছ, হাতী আৰু সিংহৰ প্ৰতীকাত্মক ছবি অংকন বা খোদিত কৰি কাছক ধৰিত্ৰী বা পৃথিৱী, হাতীক পাপ আৰু সিংহক পাপমোচক শক্তিৰ প্ৰতীক হিচাপে উপস্থাপন কৰা হয়। প্ৰাকৃতিকভাৱে সহজলভ্য বাঁহ-বেত, খেৰ আদিৰে পূৰ্বতে নামঘৰৰ নিৰ্মাণকাৰ্য সমাপন কৰা হৈছিল যদিও বৰ্তমান যুগত পকী নামঘৰ নিৰ্মিত হৈছে।

নামঘৰৰ মূলগৃহ য'ত সমূহীয়াভাৱে নাম-প্ৰসংগাদি কৰা সেই ঘৰটোকে সাধাৰণ অৰ্থত কীৰ্ত্তনঘৰ বোলা হয়। মৰ্ত্যৰ বৈকুণ্ঠপুৰী নামঘৰৰ কীৰ্ত্তনঘৰত তিনি, পাঁচ বা সাত

খলপীয়া বেৰহীন কোঠা বা খোটালি ৰখা হয়। সাতটা খোটালিক সপ্ত বৈকুণ্ঠৰ লগত ৰিজনি কৰা নামঘৰৰ পশ্চিম প্ৰান্তত নিৰ্মিত অৰ্ধবৃত্তাকাৰ টুপটোক ঘঁৰিয়াল টুপ হিচাপে জনা যায়। প্ৰসংগ-প্ৰণালীত নামাচাৰ্যসহ ভকতবৃন্দই অৰ্ধবৃত্তাকাৰে প্ৰসংগ কৰাৰ পৰম্পৰাৰ লগত সাদৃশ্য ৰাখি নামঘৰত ঘঁৰিয়াল টুপ নিৰ্মাণ কৰা হয়। হেঙুল-হাইতালেৰে আকৰ্ষণীয় ৰূপত নামঘৰৰ খুটা, বৰছাটি, দমৰা আদিত কটা ফুল-লতাই শিল্পীসকলৰ স্থাপত্যবিদ্যাৰ অনুপম নিদৰ্শন দাঙি দৰিছে। নামঘৰৰ শিৰৰ খুঁটা বা লাইখুঁটাৰ গুৰিতে ধৰ্মাধিকাৰ বা গুৰুস্থানীয় ব্যক্তিৰ আসন সংৰক্ষিত। কেৱল মাত্ৰ ধৰ্মাধিকাৰ বা গুৰুস্থানীয় ব্যক্তিহে লাইখুঁটাৰ গুৰিত বহাৰ অধিকাৰ লাভ কৰে।

মণিকূট নামঘৰৰ এক মুখ্যাংশ। কীৰ্ত্তনঘৰৰ পূব প্ৰান্তত সংলগ্ন সৰু গৃহ। মণিকূটৰ সোঁমাজত স্থাপন কৰা থাপনাত গুৰুজনাৰ ৰচিত গ্ৰন্থ কীৰ্ত্তন, নামঘোষা, ভক্তি ৰত্নাৱলী, গুণমালা আদি ভক্তিভাবাপন্নভাৱে ৰখা হয়। মধ্যাংশত স্থাপন কৰা থাপনাখনেই গুৰু আসন। গুৰু আসন তিনি প্ৰকাৰৰ— সিংহাসন, গৰুড়াসন আৰু সৰাসন। ৰাজহুৱা নামঘৰত প্ৰতিষ্ঠা কৰা সিংহাসন সাধাৰণতে তিনি খলপৰ পৰা সাত খলপা। সিংহাসনৰ খলপাসমূহত ধৰ্মীয় ভাবানুভূতি বহন কৰি দশাৱতাৰ বা কৃষ্ণলীলা বৰ্ণনাৰ ছবি অংকিত কৰা হয়। দবা, শংখ-ঘণ্টা, কাঁহ, শৰাই, টৌ, বান, লোটা, কলহ, বৰবাতি, ঠগা, বাঁহেৰে নিৰ্মিত ব্যৱহাৰ্য সামগ্ৰী, ভোৰতাল আদি নামঘৰৰ অত্যাৱশ্যকীয় সামগ্ৰীসমূহ সুন্দৰকৈ সংৰক্ষণ কৰা হয়। ইয়াৰোপৰি মণিকূট গৃহতে ধৰ্মীয় গ্ৰন্থৰাজিৰ লগতে সাঁচিপতীয়া পুথিসমূহৰো সংৰক্ষণৰ দিহা কৰা হয়।

নামঘৰৰ আন এক মুখ্যাংশ হ'ল ছো-ঘৰ। ছোঁ-ঘৰ সাধাৰণতে নাট্যাভিনয়ৰ বাবে ব্যৱহাৰ্য সামগ্ৰী সমূহৰ সংৰক্ষণ কৰা হয়। ভাওনাত ব্যৱহৃত ছোঁ বা মুখা, অস্ত্ৰ-সস্ত্ৰ, দৃশ্যসজ্জাৰ সামগ্ৰীসমূহ ছোঁ-ঘৰতেই ৰখা হয়। নাট্যাভিনয়ৰ সময়ত ভাৱৰীয়াসকলৰ সাজসজ্জা, মুখা, অলংকাৰ আদি পৰিধান কৰোৱা আৰু ৰূপসজ্জাৰ বাবে ছোঁ-ঘৰ বিশেষভাৱে ব্যৱহাৰ কৰা হয়। নামঘৰত প্ৰদৰ্শিত অভিনয়ৰ বাবে ভাৱৰীয়াই ছোঁ-ঘৰৰ পৰাই নামঘৰত প্ৰৱেশ কৰে আৰু সময় সাপেক্ষে বা প্ৰয়োজন সাপেক্ষে ছোঁ-ঘৰলৈ উভতি আহি যাৱতীয় কাম-কাজবোৰ সমাধা কৰে। নামঘৰৰ চৌহদত প্ৰৱেশ পথত নিৰ্মিত ঘৰটিক সাধাৰণ অৰ্থত বাটচ'ৰা হিচাপে জনা যায়।

**সামৰণি ঃ** গুৰুজনাই একশৰণ নামধৰ্ম প্ৰচাৰৰ অৰ্থেই স্থাপন কৰা নামঘৰসমূহে জন্মলগ্নৰে পৰা আজি পৰ্যন্ত অসমীয়া সমাজখনক এক সদৰ্থক দৃষ্টিভংগীৰে আগবঢ়াই ভক্তিৰসৰ মাধুৰ্যৰে সামাজিক শান্তি-সম্প্ৰিতী আৰু ঐক্যতাৰ ক্ষেত্ৰত যি বিশেষ অৱদান আগবঢ়াই আহিছে তাৰ বহুল বিশ্লেষণ নিস্প্ৰয়োজন। কিয়নো নামঘৰৰ কাৰ্যাৱলী আৰু সমাজ জীৱনত ইয়াৰ সদৰ্থক প্ৰভাৱ আমি মৰ্মে মৰ্মে উপলব্ধি কৰি আহিছোঁ। বোঁৱতী সুঁতিৰ দৰেই সমাজ জীৱনত নামঘৰৰ সদৰ্থক প্ৰভাৱ চিৰপ্ৰৱাহমান। আৰু এই সুঁতিৰ জলধাৰে অসমীয়া সমাজখনক যুগে যুগে নিকা আৰু স্বচ্ছ কৰি প্ৰগতিৰ পথত আগুৱাই যোৱাৰ পথ প্ৰসস্ত কৰি সমাজখনত নতুনত্বৰ ৰং সানিব। এয়া ধুৰূপ।

# বড়োসকলৰ ধৰ্মীয় অনুষ্ঠান "বাথৌ পূজা" আৰু তাৰ লগত জড়িত "সিজু গছ"ৰ এক পৌৰাণিক কাহিনী

**মণিষা বড়ো**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

'বাথৌ পূজা' পিছে এই বাথৌ পূজাৰ বিষয়ে হয়তো বহুতেই নাজানে, বড়ো ধৰ্মীয় লোকসকলে কাকনো পূজা কৰে? বড়ো সকলৰ ধৰ্মীয় গুৰু কোননো? সেয়াও হয়তো বহুতেই নাজানে আৰু সেই উদ্দেশ্যেই বড়ো লোকসমাজত প্ৰচলিত পৰম্পৰাগত বড়োসকলৰ অতি জনপ্ৰিয় অনুষ্ঠান বাথৌ পূজাৰ কিছু তথ্য সংগ্ৰহ কৰি আলোচনা আগবঢ়াইছোঁ।

**বাথৌ পূজাৰ আৰম্ভণি ঃ** বাথৌ পূজাৰ বিষয়ে জনাৰ পূৰ্বে আমি ইয়াৰ আৰম্ভণি তথা গুৰিটো জনাৰ খুবেই দৰকাৰ, প্ৰশ্ন হয় এই ধৰ্মৰ আৰম্ভণি কিদৰে হ'ল? লোক প্ৰবাদমতে বড়োসকলৰ পূৰ্বতে এজন ধৰ্মগুৰু আছিল, যাৰ নাম আছিল "মানচিন সিং ব্ৰাই" যাৰ দ্বাৰা বড়োসকলে দীক্ষা লাভা কৰি আহিছিল আৰু তেওঁৰেই বাথৌ ধৰ্মৰ আৰম্ভণি তথা আৰ্হি দেখাই গৈছিল বুলি বড়ো সকলে বিশ্বাস কৰে। আৰু পৰৱৰ্তী কালত তেওঁক অনুসৰণ কৰি আন আন গুৰুসকলে এই বাথৌ পূজাক বহল তথা বিস্তৃত ৰূপত দাঙি ধৰে। আৰু তেতিয়াৰ পৰাই বড়ো সকলৰ মাজত "বাথৌ পূজা" তথা বাথৌ ধৰ্মই অধিক প্ৰাধান্য লাভ কৰি আহিছে।

এতিয়া হয়তো প্ৰশ্ন হৈছে যে 'বাথৌ' শব্দৰ অসমীয়া অৰ্থনো কি? 'বাথৌ' শব্দৰ 'বা' মানে হৈছে— পঞ্চ আৰু 'থৌ' মানে হৈছে 'তত্ত্ব'। এই পঞ্চ তত্ত্বৰ ওপৰত বিশ্বাসৰ আধাৰতেই বড়ো সকলে পূৰ্বৰে পৰা পৰম্পৰাগতভাৱে 'বাথৌপূজা' পালন কৰি আহিছে। বিভিন্ন পূজা-অৰ্চনাৰে ইষ্ট দেৱতাক স্মৰণ কৰা হয়। যাতে বড়োসকলৰ জলন্ত সমস্যাবোৰৰ পৰা পৰিত্ৰাণ হৈ শান্তি-সম্প্ৰীতিয়ে বিৰাজমান কৰে। সেই উদ্দেশ্যে প্ৰতিবছৰে মাঘ মাহৰ দ্বিতীয় মংগলবাৰ দিনটোতে খেতি সামৰি সমগ্ৰ ৰাজ্যজুৰি এই পবিত্ৰ তিথিটো উলহ-মালহেৰে পালন কৰে।

আৰম্ভণিতে আলোচনা কৰি অহা হৈছে যে 'বাথৌ' ধৰ্মৰ দৰ্শন পাঁচটা তত্ত্বৰ ওপৰতে নিহিতি তথা প্ৰতিষ্ঠিত হৈ আছে। আৰু এই পঞ্চ তত্ত্বৰ আধাৰতে সৃষ্টিকৰ্তাক প্ৰাৰ্থনা কৰা হয়। এই পঞ্চ তত্ত্বকেইটা ক্ৰমান্বয়ে— 'চান' (সূৰ্য), 'ওখৰাং' (আকাশ), 'বাৰ' (বতাহ), 'দৈ' (পানী) আৰু 'হা' (মাটি)।

**বাথৌ পূজাত সিজু গছৰ প্ৰাধান্য ঃ**

বাথৌ পূজাত সিজু গছৰ এক সুকীয়া স্থান আছে। বড়োসকলৰ বিশ্বাসমতে, 'নেদেখাজন' আমাৰ বিশ্বব্ৰহ্মাণ্ডখনত পাঁচটা অৰ্থাৎ পঞ্চতত্ত্বৰ আধাৰত নিহিত হৈ আছে। গতিকে ঈশ্বৰৰ সৃষ্টি এই পাঁচ ধাতুক এক ৰূপ দিবলৈ সিজু গছক প্ৰাধান্য দিয়া হয়। কাৰণ সিজু গছত পাঁচটা সিৰা থাকে, আৰু সেই পাঁচটা সিৰাৰ এটা এটা ধাতু হিচাপে ক্ৰমান্বয়ে ধৰি লোৱা হয়। এই পাঁচটা ধাতু হৈছে ভগৱানৰ সৃষ্টি আৰু তাক আমি এক লগ কৰিব নোৱাৰো, সেয়েহে পঞ্চসিৰা থকা 'সিজুগছকে' এই পঞ্চত্ত্বৰ শক্তিৰ এক চিনস্বৰূপে 'নেদেখাজনক' স্মৰণ কৰে। কিন্তু, এক প্ৰশ্নৰ উদয় হয় যে- আমি পঞ্চতত্ত্বৰ চিনস্বৰূপে পাঁচ সিৰা থকা আন উদ্ভিদ তথা বস্তুকো ল'ব পাৰিলোহেতেঁন। কিন্তু সিজু গছ কিয় ?

ইয়াৰ আঁৰত 'সিজু' গছক লৈ এটা পৌৰাণিক লোককাহিনী আছে— বাথৌ ধৰ্মৰ সৃষ্টি তথা আৰম্ভণিৰ কথা আগতে আলোচনা কৰি আহিছো, এয়া বৰ্তমানৰ নহয় হাজাৰ হাজাৰ বছৰ আগৰ পৰম্পৰা, যেতিয়া অসমত সভ্যতা তথা সামাজিক বিকাশ হোৱাই নাছিল তেতিয়াৰ পৰাই প্ৰচলিত আছিল বুলি আনুমানিক সময় নিৰ্দ্ধাৰণ কৰে, ইয়াৰ কাৰণ মূলতঃ এইটোৱেই যে- বাথৌ ধৰ্মৰ সৃষ্টিৰ কথা ক'তো লিখিত আকাৰত লিপিবদ্ধ হিচাপে এতিয়ালৈ পোৱা হোৱা নাই, তথা বৰ্তমানেও এই বিষয়ে কোনো তথ্য উলিয়াব পৰা নাই, কাৰণ বড়োসকলে কোনো বুৰঞ্জী পূৰ্বতে লিখিত আকাৰে সংগ্ৰহ কৰি অহা নাছিল। সেয়েহে লোকপ্ৰবাদমতেহে 'মানচিন সিং ব্ৰাই' কেই বাথৌ ধৰ্মগুৰু হিচাপে মানি অহা হৈছে।

গতিকে আমাৰ কাহিনীৰ আলমত সেই সময়তেই এটা ঘটনা ঘটিছিল, যেতিয়া তেওঁলোকে খাদ্যৰ সন্ধানত এঠাইত আহি পাইছিল তেতিয়া আছিল ৰাতিপুৱাৰ সময়। সেই সময়ত সকলোৱে জিৰণি লৈ আছিল আৰু 'মানচিন সিং ব্ৰাই'য়ে দলৰ নেতা হিচাপে দলৰ সদস্য সকলৰ বাবে খাদ্যৰ সন্ধানত ওলাই যাওঁতে তেওঁক কোনোবাই পিছৰ পৰা মাত দিলে, তেতিয়া তেওঁ চাৰিওফালে চাই দেখিলে যে কোনো নাই। এনেদৰে কেইবাবাৰো মতাৰ পিছতো তেওঁ কাকো নেদেখিলে, তেতিয়া তেওঁ সুধিলে কোনেনো মাতি আছা? মই দেখা পোৱা নাই। তাৰ প্ৰত্যুত্তৰত ক'লে যে মই সৰ্ব সৃষ্টিকৰ্তা ঈশ্বৰে মাতিছো। তেতিয়া তেওঁ ক'লে যে কোন ঈশ্বৰ? কাৰণ তেতিয়া ঈশ্বৰৰ কথা কোনোৱে জনা নাছিল, সেয়েতে তেওঁ ক'লে যে কোন ঈশ্বৰে কৈ আছে? তেতিয়া ঈশ্বৰে ক'লে যে এই পৃথিৱীৰ সৃষ্টিকৰ্তা ময়েই সেই ঈশ্বৰ, য'ত তুমি বৰ্তমান আছা, তেতিয়া তেওঁ ক'লে মই কেনেকৈ বিশ্বাস কৰো? তোমাকতো মই দেখাই পোৱা নাই। তেতিয়া ঈশ্বৰে ক'লে যে- এতিয়া তুমি য'ত থিয় হৈ আছা এই মাটি টুকুৰাক বিশ্বাস কৰা নে নকৰা? এই মাটি যদি নাথাকিলহেতেঁন ভাবাচোন তোমাৰ কি অৱস্থা হ'লহেঁতেন আৰু এই যে সূৰ্য দেখিছা এই সূৰ্য নহ'লে ভাবাচোন তোমাৰ কি হ'ল হৈ, সকলোফালে অন্ধকাৰে আৱৰি থাকিলহেতেঁন আৰু তেতিয়া একোৱেই নেদেখিলাহেতেঁন। থিক তেনেদৰে 'শূন্য' অৰ্থাৎ আকাশ, বায়ু আৰু জল নাথাকিলে যে কি

হ'লহে তাৰ পৰিণাম ঈশ্বৰে মানচিনক বুজাই দিলে, অৰ্থাৎ এই পঞ্চতত্ত্বৰ সত্যতাৰ কথা। তেতিয়া মানচিন সিঙে ক'লে ঠিক আছে বাৰু বুজিলো আপুনিয়েই সৰ্ব সৃষ্টিকৰ্তা ঈশ্বৰ। মানি ল'লো কিন্তু মোক আপুনি কিয় মাতিলে? তেতিয়া ঈশ্বৰে ক'লে চোৱা- তোমালোকৰ এই অৱস্থা চাই মোৰ খুব বেয়া লাগে। ইমান কষ্ট কৰি তোমালোকে এঠাইৰ পৰা আন ঠাইলৈ খাদ্যৰ সন্ধানত ঘূৰি ফুৰা তোমাৰ লগতে দলটোৰ সকলোৰে বহুত কষ্ট হয়, গতিকে তোমালোকৰ কষ্ট কম আৰু সুখ অহাটোৰেই মই কামনা কৰো, তাৰ বাবে মই তোমাক এটা দিহা দিও শুনা বুলি ঈশ্বৰে ক'লে যে- তোমালোকে যিবোৰ ফল খোৱা সেই ফলৰ গুটিবোৰ য'তে ত'তে পেলাই নিদি এঠাইতে খেতি কৰিবলৈ আৰম্ভ কৰা তেতিয়া তোমালোকে সেই ফল খাই সুখেৰে জীৱন অতিবাহিত কৰিব পাৰিবা আৰু দলনেতা হিচাপে তুমি বাকীবোৰকো কথাটো বুজাই দিয়া। তেতিয়া মানচিন সিঙে ঈশ্বৰৰ কথামতে আহি সকলোকে কথাটো ক'লে। পিছত তেওঁৰ কথা শুনি সকলোৰে আচৰিত হ'ল যিহেতু ঈশ্বৰ বুলি তেওঁৰ কথা তেওঁলোকে প্ৰথম শুনিছে তাৰ পিছত তেওঁ দলটোৰ সদস্যসকলক কথা বিশ্বাস দিবৰ কাৰণে ঈশ্বৰে সৃষ্টি কৰা পঞ্চতত্ত্বৰ কথা ক'বলৈ লওতেই তেওঁ পাহৰি থাকে আৰু ঘটনাটোৰ বিৱৰণ বিতংভাৱে দিব নোৱাৰিলে। তেতিয়া তেওঁ আকৌ এবাৰ কথাখিনি জানিবৰ বাবে ঈশ্বৰক মাতিবলৈ ধৰিলে। তেতিয়া ঈশ্বৰে ক'লে যে, কি হ'ল মোক আকৌ কিয় মাতিলা? তেতিয়া তেওঁ ক'লে যে আপুনি কোৱা পঞ্চতত্ত্বৰ কথাখিনি মই পাহৰি পেলালো ফলত মই দলৰ মানুহখিনিক ক'ব নোৱাৰিলো। গতিকে আপুনি মোক আকৌ এবাৰ কওক, তেতিয়া ঈশ্বৰে তেওঁক আকৌ এবাৰ পঞ্চতত্ত্বৰ কথা ক'লে। তথাপিও তেওঁৰ মনত নথকাত ঈশ্বৰে তেওঁক মনত ৰখাৰ সহজ উপায় হিচাপে আশে-পাশে থকা পঞ্চসিৰাযুক্ত গছ এজোপাক দেখুৱাই দি ক্ৰমান্বয়ে সিৰাবোৰক এটা ধাতু হিচাপে পঞ্চতত্ত্বৰ ভাগবোৰক নামাকৰণ কৰি দেখুৱাই দিলে আৰু সেই গছজোপাই আছিল 'সিজু গছ' যাৰ এটা এটাকৈ পাঁচটা সিৰাৰ পাঁচ ধাতুৰ ৰূপ হিচাপে নামাকৰণ তথা চিন হিচাপে চিহ্নিত হ'ল। আৰু ঈশ্বৰৰ দিহামতে 'মানচিন সিঙে' এটা এটা সিৰাক ঈশ্বৰৰ এটা এঠা সৃষ্টি হিচাপে ধাতুবোৰৰ নাম স্মৰণ কৰিবলৈ সফল হয়। কাৰণ সময়ত কোনো গণিত নছিল যাৰ বাবে তেওঁৰ পাঁচটা বস্তুক স্মৰণ কৰিবলৈ অসুবিধা হৈছিল। বাৰাম্বাৰ চেষ্টাৰ ফলত তেওঁ ঈশ্বৰে সৃষ্টি কৰা পঞ্চতত্ত্বৰ কথা স্মৰণ কৰিবলৈ সক্ষম হ'ল আৰু তেওঁ তেতিয়া সুন্দৰভাৱে ঘটনাটোৰ বিৱৰণ দলটোক ক'ব পাৰিলে। আৰু দলৰ আটাইবোৰে বুজি পাই তেওঁৰ কথাত সহাঁৰি জনালে। লগতে ঈশ্বৰে দিয়া দিহামতে সকলোৰে গছৰ বীজবোৰ এঠাইতে গোটাই খেতি কৰিবলৈ আৰম্ভ কৰিলে। এনেদৰে দলটোৰ সকলোৰে সহযোগত তেওঁলোকে এবছৰৰ ভিতৰতেই বহুখিনি পৰিৱৰ্তন দেখিবলৈ সক্ষম হ'ল। চাৰিওফালে সেউজীয়া আৰু খাদ্যৰ উভৈনদী হৈ পৰিল আৰু সকলোৰে কষ্ট লাঘৱ হ'ল আৰু আনন্দৰ সীমা নোহোৱা হ'ল আৰু তেনেকৈয়ে তেওঁলোকে ঈশ্বৰ তথা পঞ্চতত্ত্বৰ ওপৰত সম্পূৰ্ণ বিশ্বাস ৰাখি গ'ল। যেতিয়া ফল-মূলবোৰ পকিবলৈ আৰম্ভ কৰিলে আৰু

'প্ৰকাশনা'

সকলোৱে খাবলৈ যো-জা চলাওতেই মানচিন সিঙে ক'লে— ৰ'বা খোৱাৰ পূৰ্বে আমাক যিজনে আগতে এই দিহা দিলে, যাৰ ফলত আমাৰ কষ্ট কম হ'ল আৰু সুখ আহিল তেওঁক অৰ্থাৎ ঈশ্বৰক আমি প্ৰথম ভাগ দিয়াতো উচিত আৰু তেওঁক দি উঠিহে আমি খাম। তেতিয়া সকলোৱে মানচিনৰ কথাত সমৰ্থন কৰি ফল-মূলবোৰ লৈ ঈশ্বৰক বিচাৰি গ'ল আৰু সকলোৱে তেওঁক প্ৰথম ভাগ অৰ্পন কৰাৰ বাবে ঈশ্বৰ ঈশ্বৰ বুলি চাৰিওফালে মাতিবলৈ ধৰিলে কিন্তু ঈশ্বৰৰ কোনো সহাৰি নাহিল। সকলোৱে নিৰাশ হ'ল আৰু দলনেতা হিচাপে কি কৰা যায় বুলি মানচিনৰ পৰামৰ্শ বিচাৰিলে। তেতিয়া তেওঁ ক'লে যে ঈশ্বৰ নাহিল যেতিয়া উপায় নাই কিন্তু ঈশ্বৰে সৃষ্টি কৰা এই পঞ্চতত্ত্বকেই আমি তেওঁৰ সলনি অৰ্পন কৰা যাওক, কিন্তু তাতো সমস্যা আহিল যে পঞ্চধাতুক একলগ কেনেকৈ কৰিব আৰু বেলেগ বেলেগকৈ অৰ্পন কৰাও সম্ভৱ নহয়, কাৰণ 'মাটি'ক অৰ্পন কৰিলেও বায়ু, পানী, আকাশ আৰু সূৰ্যক কেনেকৈ কৰিব তাকে ভাবি তেওঁলোকে সমস্যাত পৰিল, তেতিয়া মানচিনৰ এটা কথা মনলৈ আহিল যে ঈশ্বৰে দিহা দি যোৱা সেই পাঁচ সিৰাযুক্ত 'সিজু' গছজোপালৈ আৰু সেই পাঁচ সিৰাযুক্ত সিজুকেই তেওঁলোকে ঈশ্বৰে সৃষ্টি কৰা পাঁচ ধাতুৰ এক ৰূপ হিচাপি অৰ্পন কৰিবলৈ প্ৰস্তুত হ'ল আৰু সকলোৱে সমৰ্থনো কৰিলে। আৰু পূজাৰ স্থল হিচাপে সিজু গছকেই উপাসনাৰ স্থান স্বৰূপে ঈশ্বৰ সেৱা কৰিবলৈ ল'লে, এনেদৰে গাঁও হ'ল, গাঁৱত সমূহীয়াভাৱে নিজাববীয়াকৈও সিজু গছ লৈ আমি বেদী স্থাপন কৰি তাত গছজোপা ৰোপন কৰি গছজোপাৰ চাৰিওফালে মুঠ পাঁচটা বাঁহৰ কামি ওলট-পালটকৈ বেৰি দিয়া হয়। তাৰে প্ৰথম কামিটোক স্থিতি অৰ্থাৎ গৰ্ভ হিচাপে ৰূপ দিয়া হয়। তেনেদৰে ক্ৰমান্বয়ে জন্ম, বিবাহ, বৃদ্ধ আৰু মৃত্যু এনেকৈ পাঁচটা কামিক ৰূপ দি ঘূৰণীয়াকৈ মণ্ডপটো সজোৱা হয়। এনেদৰেই চলি আহিল বাথৌ ধৰ্মৰ পৰম্পৰা লগতে পঞ্চসিৰাযুক্ত 'সিজু' গছৰ প্ৰাধান্যতা যি এতিয়াও বড়ো জনসমাজৰ বাথৌ পূজাৰ স্থান দখল কৰি আহিছে। এনেদৰে গুৰুসকলে দি যোৱা নিয়ম অনুসাৰে যুগে যুগে বড়ো সমাজত বাথৌ পূজাৰ প্ৰচলন আহিল। এনদৰেই গঢ়ি উঠিল বড়ো সমাজত ধৰ্মীয় পৰম্পৰা। তেওঁলোকে ঈশ্বৰৰ শক্তিক বিশ্বাস কৰি আহি থাকিল আৰু এইদৰে এদিন সমাজ গঠন হ'ল আৰু মানুহৰ মাজলৈ সভ্যতা তথা সামাজিক বিকাশ ঘটিল। সেইদৰে কোনো বিপদ বা সংকট আহিলে তেওঁলোকে ঈশ্বৰক স্তুতি কৰা পৰম্পৰা অনুসাৰে বাথৌ পূজা পাতি সকলোৱে শান্তি-সম্প্ৰীতিৰ অৰ্থে সমগ্ৰ ৰাজ্যজুৰি বড়ো লোকসকলে বাথৌ পূজা উলহ-মালহেৰে পালন কৰি আহিছে।

# অসমৰ এক সাংস্কৃতিক প্ৰতীক 'জাপি'

অংকিতা দাস
স্নাতকোত্তৰ প্ৰথম যান্মাসিক

অসমীয়া সমাজ জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈছে জাপি। অসমীয়াৰ বাবে যেন এক গৌৰৱৰ প্ৰতীক। বিহু উৎসৱৰ পৰা আৰম্ভ কৰি বিভিন্ন কাৰ্যসূচীত জাপিৰ ব্যৱহাৰ অতীজৰে পৰা প্ৰচলিত মূলতঃ আগৰ দিনত ৰ'দ-বৰষুণ আদিৰ পৰা ৰক্ষা পৰিবলৈকে জাপি ব্যৱহাৰ কৰা দেখা যায়। জাপি কেইপ্ৰকাৰৰো আছে। তাৰে ভিতৰত কিছুমান হ'ল— বৰ জাপি, পানী জাপি, বনুৱা জাপি, হালোৱা জাপি, সৰুদৈয়া জাপি, গৰখীয়া জাপি ইত্যাদি। ইয়াৰে কিছুমান উকা আৰু কিছুমান ফুলাম। উকা বৰ জাপিবোৰ বৰষুণৰ পৰা ৰক্ষা পাবলৈ কৃষক, বণুৱাসকলে ব্যৱহাৰ কৰিছিল আৰু ফুলাম জাপিবোৰ অভিজাত সম্ভ্ৰান্ত ঘৰৰ মানুহে ব্যৱহাৰ কৰিছিল। প্ৰত্যেক ঘৰ অসমীয়াৰ বাসগৃহত এটাকৈ হ'লেও জাপি ওলমি থকা দেখা যায়, এক গৌৰৱৰ প্ৰতীক ৰূপে। আগৰ দিনত বিভিন্ন উৎসৱ-পাৰ্বণতো সত্ৰাধিকাৰসকলে বৰজাপি ব্যৱহাৰ কৰিছিল। আহোম ৰাজত্বকালতো জাপিৰ ব্যাপক প্ৰচলন আছিল। ডা-ডাঙৰীয়াসকলে মৰ্য্যাদা অনুসৰি বিভিন্ন জাপিৰ ব্যৱহাৰ কৰিছিল। গতিকে আমি ক'ব পাৰোঁ যে জাপি অসমীয়া সংস্কৃতিৰ বাহক, অসমীয়া জাতি আৰু সংস্কৃতিৰ বিশেষ প্ৰতীকৰূপে সৰ্বজনবিদিত।

# মন্ত্ৰ সাহিত্য

**লিজা কলিতা**

স্নাতকোত্তৰ প্ৰথম ষান্মাসিক

"ওঁম ভূ ভূবঃ স্বঃ তৎ সবির্তু বৰেণ্যম
ভৰ্গো দেৰস্যধীমহি
ধীয়ো য়ো ন প্ৰচোদয়াং।"

মন্ত্ৰ! মন্ত্ৰ আচলতে কি? মন্ত্ৰ শব্দটোৰেই যেন এক ৰহস্যৰ ভাৱ মনলৈ আনে। মন্ত্ৰবোৰ আচলতে কিছুমান বিশেষ বিশেষ শব্দ। যিবোৰ শব্দৰ কিছুমান অলৌকিক শক্তি আছে। বছৰ বছৰ ধৰি সাধনাৰ অন্ততহে সাধকসকলে এই শব্দটোৰ উচ্চাৰণ কৰি তাৰ শক্তিক অনুভৱ কৰিব পাৰে। মন্ত্ৰ লোকজীৱনৰ অঘোষিত জীৱন সংগ্ৰামৰ বাহন। লোক জীৱনৰ সৰল বিশ্বাস যে মন্ত্ৰৰ জৰিয়তে বেমাৰ-আজাৰ, জীৱ-জন্তুৰ অসুখ আৰু সকলো ধৰণৰ অশুভ শক্তিক নাশ কৰিব পাৰি।

মন্ত্ৰৰ উৎপত্তি একে দিনাই হৈছিল বুলি ক'ব নোৱাৰি। অতি প্ৰাচীন কালৰ পৰাই তন্ত্ৰ-মন্ত্ৰৰ প্ৰচলন বৰ্তমান সময়লৈকে চলি আহিছে। যোগিনী তন্ত্ৰত উল্লেখ থকা মতে খ্ৰীষ্টিয় নৱম শতিকা মানৰ পৰাই কামৰূপ তন্ত্ৰ-মন্ত্ৰ আৰু ইন্দ্ৰজাল বিদ্যাৰ কেন্দ্ৰস্থান হৈ পৰিছিল। বৰ্তমানেও মৰিগাঁও জিলাৰ মায়ং অঞ্চল যাদু-মন্ত্ৰৰ দেশ বুলিয়েই জনাজাত।

এসয়মত লোকসমাজত ভয়ৰ সৃষ্টি কৰিব পৰা কিছুমান তন্ত্ৰ-মন্ত্ৰৰ সাধনা কামৰূপত চলিছিল। বিষ বাণ, মোহিনী মন্ত্ৰ, মায়া বিদ্যা, ডাকিনী বিদ্যা, ঔষধ পোতা মন্ত্ৰ, দেও-ভূত সম্বন্ধীয় মন্ত্ৰ আদি বিভিন্ন মন্ত্ৰৰ প্ৰচলন আছিল। যিবোৰ মন্ত্ৰ এতিয়ালৈকে চলি আছে তাৰে প্ৰায় ভাগেই জৰা-ফুকা, ৰোগ ব্যাধিৰ চিকিৎসাৰ কামতেই ব্যৱহাৰ হয় আৰু লোকসমাজে ইয়াৰ ওপৰত বিশ্বাসো ৰাখিছে।

মন্ত্ৰ এক আপুৰুগীয়া সম্পদ। সেয়ে ইয়াক সৰ্বতোপ্ৰকাৰে ৰক্ষণাবেক্ষণৰ দৰকাৰ। যুগ যুগ ধৰি পুৰুষাণুক্ৰমে মন্ত্ৰই মুখ বাগৰি আহি আজিৰ স্তৰত উপনীত হৈছে। মুখে মুখে বাগৰি অহাৰ ফলত মন্ত্ৰত কিছুমান নতুন শব্দ সংযোজিত হৈছে আনহাতে কিছু বিলুপ্তিও হৈছে। মন্ত্ৰ সমূহৰ ৰচনাকাল সঠিকভাৱে নিৰ্ণয় কৰা টান। ভাষাতাত্ত্বিক বৈশিষ্ট্যলৈ লক্ষ্য কৰিলে দেখা যায় কিছুমান মন্ত্ৰ সংস্কৃত, কিছুমান প্ৰাকৃত মিশ্ৰিত, কিছুমান পুৰণি অসমীয়া শব্দ আৰু কিছুমান আধুনিক অসমীয়া শব্দৰ সংমিশ্ৰণ; গতিকে নিৰ্দিষ্ট এক ভাষাত ই লিখিত

নহয়।

মন্ত্ৰবোৰৰ কোনো বৈজ্ঞানিক ভিত্তি নাই বুলি প্ৰায়ভাগ বিজ্ঞানীয়ে ক'ব খোজে। কিন্তু ৰোগ-ব্যাধি আৰোগ্যৰ বাবে তন্ত্ৰ-মন্ত্ৰৰ প্ৰয়োগৰ বিষয়টোৰ ওপৰত গৱেষণা কৰি কিছুমানে এই বিশ্বাস তথা পৰম্পৰাক ইতিবাচক দৃষ্টিভংগীৰেও চাইছে।

মন্ত্ৰ সাহিত্যৰ উল্লিখিত কথাখিনিৰ পৰা দেখা গ'ল যে মন্ত্ৰ হৈছে এক গভীৰ সাধনালব্ধ বস্তু। মন্ত্ৰ হৈছে কিছুমান পবিত্ৰ শব্দৰ উচ্চাৰণ। সাধনা অবিহনে মন্ত্ৰই ক্ৰিয়া নকৰে। সাধনাৰ বলতহে দেৱ-দেৱীৰ শক্তি সাধকৰ দেহত ভিৰ কৰে। তাৰ পিছত সাধকৰ অন্তৰৰ পৰা সৃষ্টি হৈ মুখেৰে উচ্চাৰিত হয় কিছুমান শব্দ, যিবোৰে স্বীকৃতি পায় মন্ত্ৰৰূপে।

বৰ্তমান সময়ত মন্ত্ৰসমূহ আৰু তাৰ লগত ব্যৱহাৰ কৰা ঔষধিসমূহৰ গৱেষণামূলক অধ্যয়নৰ আৱশ্যক আছে। পণ্ডিতসকলে প্ৰমাণ কৰি দেখুৱাইছে যে প্ৰাগঐতিহাসিক যুগতেই মানুহৰ আৰোগ্য সাধনৰ বাবে এফালে বিভিন্ন প্ৰাকৃতিক ঔষধৰ ব্যৱহাৰ আৰু আনফালে বিভিন্ন অলৌকিক বিশ্বাস পূজা-পাতাল, বলি-বিধান আদি এই দুয়োটা পদ্ধতিয়েই গঢ় লৈ উঠিছিল, আধুনিক ভাৰতবৰ্ষত যাৰ প্ৰভাৱ আজিও বিদ্যমান।

# অৰণ্য মানৱ যাদৱ পায়েং

**মিতু দাস**

স্নাতক পঞ্চম যান্মাসিক

অৰণ্য মানৱ যাদৱ পায়েং এগৰাকী পৰিৱেশকৰ্মী। তেওঁৰ জন্ম ১৯৬৩ চনত যোৰহাট জিলাৰ অন্তৰ্গত ব্ৰহ্মপুত্ৰৰ মাজৰ বৰঘোগ নামৰ এটা চাপৰিত। ১৯৭৯ চন মানৰপৰা ঔৰনা চাপৰিত বিভিন্ন গছপুলি ৰোপন আৰু প্ৰতিপালন কৰে যাদৱ পায়েঙে। এটি দুটি গছপুলি ৰোৱতে এখন বিস্তৃত হাবিত পৰিণত হ'ল। তেওঁৰ ঘৰত মতা নাম 'মোলাই' আছিল। তেওঁৰ নামেৰে হাবিখন বিখ্যাত হ'ল 'মোলাই কাঠনি' নামেৰে। তেওঁক ২০১৫ চনৰ ২৬ জানুৱাৰীৰ দিনা ভাৰত চৰকাৰৰ তৰফৰ পৰা পদ্মশ্ৰী বঁটাৰে সন্মানিত কৰা হয়। যাদৱ পায়েঙে এষাৰ কথা কৈছে যে, "আমি গছ ৰুব নালাগে আমি কাটিবহে লাগে।" কাৰণ আমাৰ অসমত গছপুলি নিজে নিজে হয়। যাদৱ পায়েঙক বিভিন্ন দেশলৈ আমন্ত্ৰিত কৰা হৈছিল বন অৰণ্য সৃষ্টিৰ বাবে। ২০২০ চনৰ ডিচেম্বৰত যাদৱ পায়েঙে মেক্সিকোৰ 'আজটেকা' নামৰ বেচৰকাৰী সংস্থা এটাৰ সৈতে এখন বিশেষ চুক্তিত স্বাক্ষৰ কৰে। সুখৰ কথা অসমৰ তামোল আৰু নাৰিকল পুলি মেক্সিকোত গৈ ৰোপণ কৰি অসমৰ থলুৱা গছ-গছনিক তেওঁ বিশ্বজগতৰ লগত চিনাকি কৰাই দিছিল।

# সমাজত নাৰীৰ স্থান

**পাৰবীন চুলতানা**

স্নাতক পঞ্চম ষান্মাসিক

৮ মাৰ্চৰ দিনটো বিশ্বৰ সকলো ঠাইতে নাৰী দিৱস হিচাপে পালন কৰা। ভাৰতৰ চাৰিখন ৰাজ্যৰ বাহিৰে ৬০ শতাংশ সকলো দিশতে পুৰুষৰ ওপৰত নিৰ্ভৰশীল। তথাপি মানৱ জাতিৰ সৃষ্টিৰ ঘাই শিপাডালেই হৈছে নাৰী। নাৰী অবিহনে পৃথিৱীৰ সকলো অস্তিত্বহীন, অন্তঃসাৰশূন্য। কিন্তু অতি পৰিতাপৰ বিষয় যে পুৰুষৰ সমানে আগবাঢ়ি যোৱাৰ বাটত প্ৰতিগৰাকী নাৰীয়ে সমাজত শাৰীৰিক, মানসিকভাৱে বহুতো বাধাৰ সন্মুখীন হ'ব লগা হয়। সেইবাবেই আমি নিজকে সুসভ্য বুলি পৰিগণিত হ'ব পৰা নাই। বহুতো কথাৰ পৰা ক'ব পৰা যায় নাৰীয়েই নাৰীৰ শত্ৰু। আমি নাৰীসকলে সভাই সমিতিয়ে নাৰী নিৰ্যাতনৰ বিৰুদ্ধে ভাষণ দিওঁ। কিন্তু নিজৰ ঘৰৰ বনকৰা ছোৱালীজনী বা বোৱাৰীজনীৰ ওপৰত শোষণ চলাওঁ। আমি প্ৰত্যেকগৰাকী নাৰীয়ে প্ৰত্যেক নাৰীৰ হৃদয়ৰ বেদনা বুজিবলৈ চেষ্টা কৰিব পাৰিব লাগিব। আমাৰ মনৰ নীচ মনোবৃত্তিক মচি পেলাব পাৰিলেহে এখন সুস্থ সমাজ গঢ়িব পৰা যাব। সকলো নাৰী মুক্তিৰ কাৰণে একগোট হৈ সংগ্ৰাম কৰিব লাগিব। নাৰী সুৰক্ষা আইন প্ৰৱৰ্তন হ'লেও যদি প্ৰতিগৰাকী নাৰী সংশোধিত নহয়, তেনেহ'লে সীমিত সংখ্যক নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লেই নাৰী বৰ্ষ উদ্‌যাপন কৰি মেল-মিটিং পাতিলেও একো কামত নাহে। আমাৰ দেশৰ বেছিভাগ নাৰী দুখ, নিৰ্যাতন, অসুৰক্ষিত অৱস্থান দিন অতিবাহিত কৰিব লগা হৈছে। নাৰীয়ে নাৰীক সঠিক পথত আনিব পাৰিলেহে সফলতা লাভ কৰিব পৰা যায়। বৰ্তমান সময়ত নাৰীক পুৰুষৰ সৈতে সংবিধানত সম অধিকাৰ দিয়া হৈছে। তথাপি নাৰীৰ প্ৰতি থকা শাসনকাৰী মনোভাৱ পুৰুষ সমাজৰ পৰা আঁতৰ হোৱা নাই। নাৰীসকল আগবাঢ়ি গৈছে যদিও ৰখীয়া এজন নহ'লে চলা-ফুৰা কৰাটো এটা সপোনৰ দৰেই হৈ আছে। আমাৰ দেশত পৰ্যাপ্ত সুবিধা থকা সত্ত্বেও নাৰীসকল শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত বহু পিছ পৰি আছে। নিজৰ নামটো লিখিব নজনা মহিলা আমাৰ সমাজত এতিয়াও আছে। এমুঠি নাৰী শিক্ষিত আৰু সুৰক্ষিত হ'লেই নাৰী মুক্তি বুলি ক'ব নোৱাৰি। আজি সংসদ আৰু বিধানসভাত মহিলাৰ ৩৩ শতাংশ আসন সংৰক্ষণৰ বিধেয়কখন গৃহীত হ'ল যদিও ১১ শতাংশতকৈ অধিক মহিলাই প্ৰতিনিধিত্ব কৰিবলৈ সক্ষম হোৱা নাই। প্ৰাচীন ভাৰতত মুকলি বিশ্ববিদ্যালয়ত ল'ৰা-ছোৱালীয়ে একেলগে শিক্ষা লাভ কৰিছিল। ৰামৰ পুত্ৰ লৱ-কুশৰ লগত আত্ৰেয়ীয়ে একেলগে বাল্মিকীৰ ওচৰত শিক্ষা লৈছিল। এনেদৰে পুৰুষ আৰু নাৰীক সমান বিবেচনা কৰাটোকে বুজাইছে। ভাৰতৰ প্ৰাতঃস্মৰণীয় মহিলাৰ ৰূপত জিলিকি কীৰ্তিৰে নাম

উজ্বলাইছে আত্ৰেয়ী, সীতা, দ্ৰৌপদী, মীৰাবাঈ, ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ, জয়মতী, কনকলতা, ইন্দিৰা গান্ধী, মাদাৰ টেৰেছা, চন্দ্ৰপ্ৰভা শইকীয়ানী আদিয়ে। মহাকাশচাৰী কল্পনা চাওলাৰ কথা লেখত ল'বলগীয়া। আমাৰ অসমৰ মূলাগাভৰুৱে যুদ্ধত যুদ্ধত অংশগ্ৰহণ কৰি নিজৰ প্ৰাণ আহুতি দিছিল। নাৰীৰ সেই সময়ত সন্মান, মৰ্যাদা অসীম আছিল।

প্ৰতিজন পুৰুষৰ উন্নতিৰ আঁৰত এগৰাকী নাৰী থাকে বুলি কোৱা হয়। নাৰী এগৰাকীৰ অনুপ্ৰেৰণাই পুৰুষৰ জীৱনলৈ পৰিৱৰ্তন আনি দিব পাৰে। যিগৰাকী নাৰীয়েই নিজৰ দুখ-যন্ত্ৰণা পাহৰি স্বাৰ্থহীনভাৱে আনৰ বাবে সকলো কৰি যাব পাৰে তেঁৱেই প্ৰকৃত নাৰী। প্ৰতিগৰাকী নাৰীয়েই সকলোৰে মাতৃ, যাৰ তুলনা নাই মৰমৰ, দয়াৰ, ক্ষমাৰ, ধৈৰ্যৰ। নাৰী ধ্বংসৰ নহয়, সৃষ্টিৰহে বীজ ৰোপণ কৰিব পৰা ক্ষমতা থকা উচিত। আনহাতে, যিসকল নাৰী নিৰ্যাতিতা, লাঞ্চিতা আৰু অৱহেলিতা হৈ আছে তেওঁলোকৰ উত্তৰণৰ বাবে নাৰীসকল আগবাঢ়ি আহিব লাগিব। কাগজে-কলমে, মেলে-মিটিঙে নহয়, হাতে-কামে কৰিলেহে সফল হ'ব।

# অংক

**ভূষণ কলিতা**
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

নিমিলা অংক মিলাই থাকোঁ

ক'ৰপৰা আহে মানুহ
ক'লৈ যায়
নিমিলা এটা অংক

সৰল ৰেখাইদি গৈ থাকোঁ
কুটিল বন্ধনীত আঁত হেৰুৱাই পাকঘূৰণি খাওঁ
ধূসৰ-ধাৰণাত আঁৰি লওঁ

অচিনাকি চিনাকি হয়
চিনাকিজন অচিনাকি হয় জীৱনৰ বাটত

অংক মিলাই থাকোঁতে
অবাটে বাট বুলি কান্দো
কান্দো তোমাক হেৰুৱাই

নিমিলা অংক মিলাই থাকোঁ
নোহোৱা হ'লে মানুহৰ মূল্য বাঢ়ে
নোহোৱা হ'লে মানুহৰ অংক মিলে

# তুমি

**পাৰবীন চুলতানা**
স্নাতক পঞ্চম ষান্মাসিক

অশ্ৰুৰে ভৰা মোৰ জীৱন বাটত
তুমি আহি এখন্তেক জিৰাই যোৱা
শব্দহীন মোৰ মৌন ওঁঠত
তুমি আহি জীপাল কৰি দিয়া
নালাগে মোক মিছা প্ৰতিশ্ৰুতি
নালাগে মোক মিছা প্ৰেৰণা
লাগে মাথোন সঁচা এখনি হাত
যিখনি হাতত আছে শান্তি আৰু প্ৰশ্ৰয়
মোৰ অৰ্থহীন মৌন পৃথিৱীখনত
য'ত তুমি আছা তোমাৰ স্মৃতি আছে
অক্লান্ত হৈ ৰৈ আছোঁ তোমাৰ বাবে
তুমি আহি এবাৰ মাথোঁ জুমি চোৱা।

# অপেক্ষা

**কুন্তলা বিশ্বাস**
স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

কিছুমান সপোন বাস্তৱ নহ'লেই ভাল লাগে
সপোনৰ জগতত ভাহি থকাৰ যি মাধুৰ্য্যতা
সেইয়া বাস্তৱত ক'ত?
কিছুমান আশা পুৰণ নহ'লেই ভাল লাগে।
আশাৰে হৃদয়খনি ক্লান্ত হৈ থকাত যি মাদকতা
সেইয়া পূৰণ হ'ব ক'ত?
কিছুমান অপেক্ষাৰ অন্ত নপৰিলেই ভাল লাগে।
অপেক্ষাৰ বাটত এক দৃষ্টিৰে চাই থকাত যি মাদকতা
সেইয়া অপেক্ষাৰ অন্ত ক'ত।
হেৰা, জীৱন তুমি সপোন দেখা...
তুমি আশা কৰা...
এই অনুভৱবোৰ উপভোগ কৰা
সফলতাৰে সিপাৰে তোমাৰ বাবে ৰৈ আছে
বাস্তৱতা আকাংক্ষাৰ পৰিণাম...
আৰু ৰৈ আছে অপেক্ষাৰ অন্তত প্ৰশান্তি।

# তুমি নাকান্দিবা


**চুমি ৰাভা**

স্নাতক পঞ্চম ষান্মাসিক


মোৰ চিতাৰ জুই
যিদিনাখন জ্বলি উঠিব
তুমি সেইদিনাখন আহিবা
নিজকে তপতাই ল'বা
মোৰ চিতাৰ জুইৰ উত্তাপত
তুমি মোক ক'বা চোৱা
মইও আহিছো তোমাক চাবলৈ।
তুমি দেখিবা মাথো
মোক জুইৰ শিখাৰ স'তে
আকাশলৈ যোৱা
তুমি নাকান্দিবা মোৰ আত্মাই কষ্ট পাব।
তুমিতো জানাই আত্মা যে অমৰ
যেতিয়া চিতাৰ জুই নুমুৱাব
তুমি প্ৰশান্তি মনেৰে উভতিবা
মই তৰা হৈ নিলগৰ পৰা
তোমাক চাই থাকিম

# আজিৰ অসমীয়া

দ্বীপজ্যোতি কলিতা
স্নাতক তৃতীয় বৰ্ষ

ঢোল তাল পেঁপা বন্ধকত দি
অসমীয়া জাতি ৰসাতলে গ'ল।
নাচনী হিন্দী গানত নাচিব যোৱাত
আজিৰ প্ৰজন্মই বিহু কি নজনা হ'ল।
বিহুত কিনিছে বাহিৰৰ গামোছা
কিনিছে পেকেট পিঠা।
ফটোৰ কাৰণে বিহুৱান পিন্ধিছে
তেওঁলোকেনো কি জানিব
মাৰ হাতৰ লাৰু-পিঠাৰ যে কিমান মিঠা।

# মহৎ লোকৰ বাণী

১। শিক্ষা হ'ল ডাঙৰ সম্পদ
শিক্ষাই অকল আমাৰ
নিজৰ উপকাৰ নকৰে,
শিক্ষাই গোটেই সমাজৰ
উন্নয়ন সাধন কৰে।

— ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ

২। আদৰ্শহীন মানুহ গুৰি
বঠা নোহোৱা নাৱৰ দৰে;

— মহাত্মা গান্ধী

৩। আনক আঘাত দিলে
সেই আঘাত এদিন নিজে
ভোগ কৰিবা।

— তুলসী দাস

৪। মনত ৰাখিব- আপোনাৰ জীৱনৰ প্ৰতিটো দিনেই আপোনাৰ ইতিহাসৰ একো পৃষ্ঠা।

— আৰৱিক প্ৰবচন

৫। আদৰ্শ শিক্ষক সেইসকল যিসকলে শিক্ষাৰ্থীক চিন্তা কৰিবলৈ শিকায়।

— সৰ্বপল্লী ৰাধাকৃষ্ণণ

৬। নিৰক্ষৰতা মানেই জ্ঞানহীন নহয়।

— ৰবীন্দ্ৰনাথ ঠাকুৰ

৭। শিক্ষাই মানুহৰ শ্ৰেষ্ঠ সম্পদ।

— চক্ৰেটিছ

৮। সুন্দৰৰ আৰাধনা জীৱনৰ খেল।

— চন্দ্ৰকুমাৰ আগৰৱালা

৯। কৰ্মই উপাসনা হাঁহিয়েই জীৱন।

— বিষ্ণুপ্ৰসাদ ৰাভা

১০। অভিজ্ঞতাই ডাঙৰ কিতাপ আৰু জীৱন হৈছে বিদ্যালয়।

— হেম বৰুৱা

**সংগ্ৰাহক ঃ অংকিতা দাস**
স্নাতকোত্তৰ প্ৰথম ষান্মাসিক